

# যৌথ পৰিয়ালৰ অৱক্ষয় অশুভ লক্ষণ

❑ জিতুমণি পাঠক

বিহঙ্গম দৃষ্টি নিক্ষেপ কৰিলেই অনুভৱ কৰিব পাৰি যে পশ্চিমীয়া দেশসমূহত পৰিয়াল ব্যৱস্থা সম্পূৰ্ণ অৱক্ষয়ৰ পথত। সেইবোৰ দেশত তথাকথিত সভ্যতাৰ দৌৰত মানুহৰ জীৱন ইমান যান্ত্ৰিক হৈ গৈছে যে প্ৰাথমিক পৰিয়াল এটায়ো সংকীৰ্ণ ৰূপ ধাৰণ কৰি পতি-পত্নীৰ মাজতে সীমাবদ্ধ হৈছেগৈ। তাতে ভূতৰ ওপৰত দানহ পৰাদি লিভিং টুগেদাৰ জাতীয় কিছুমান অসামাজিক (?) ব্যৱস্থাই পৰিয়ালৰ নিম্নতম মৰ্যাদাখিনিৰ ওপৰতো মাধমাৰ সোধাইছে। তেনে অৱস্থাত তেনে এখন ভাঙোনমুখী সমাজৰ বাবে ভাৰতৰ দৰে বৃহৎ দেশ এখনত বৰ্তি থকা যৌথ পৰিয়ালৰ দৰে ব্যৱস্থা অৱশ্যেই অপাৰ বিস্ময় তথা কৌতূহলৰ বিষয়। সেয়েহে সমাজবিজ্ঞানী সকলো ব্ৰতী হৈছে যৌথ পৰিয়ালৰ দৰে বৃহৎ পৰিয়ালতান্ত্ৰিক ব্যৱস্থা চলি থকাৰ বাবে প্ৰয়োজন হোৱা অন্তৰ্নিহিত শক্তিৰ ৰহস্য উদ্‌ঘাটনত। কিন্তু যৌথ পৰিয়ালৰ দৰে এটা বৃহৎ পৰিয়াল ব্যৱস্থাক চলাই নিয়াৰ কৃতিত্ব দাবী কৰি এজন ভাৰতীয় হিচাপে আমি গৌৰৱ অনুভৱ কৰিব পাৰোনে? বা পাৰোনে বুকু ডাঠ কৰি ক'বলৈ স্মৰণাতীত কালৰে পৰা চলি থকা এই পৰিয়াল ব্যৱস্থাৰ ঐতিহ্যক মৰ্যাদা সহকাৰে জীয়াই ৰাখিব পাৰিছো বুলি।

অৱশ্যম্ভাৱীভাৱেই ভাৰতীয় পৰিয়াল ব্যৱস্থাত কেৰোণ লাগিছে। সেয়া পশ্চিমীয়া সভ্যতাৰ অন্ধ অনুকৰণ বুলি কোৱাটো সম্পূৰ্ণ শুদ্ধ নহ'ব। পৰিৱৰ্তিত সমাজৰ বিভিন্ন কাৰকে বাধ্য কৰাইছে যৌথ পৰিয়ালৰ দৰে বৃহৎ পৰিয়াল ব্যৱস্থা এটাক ভাঙি খণ্ড-বিখণ্ড কৰাত। অতীজৰে পৰা চলি থকা এনে এটা পৰম্পৰা ভাঙি পৰাটো ভাৰতীয় ঐতিহ্যৰ বাবে এক গুৰুত্বপূৰ্ণ ঘটনা যদিও ইয়াক একে আষাৰে শুভ বা অশুভ লক্ষণ বুলি কোৱাটো সমীচীন নহ'ব। সমাজবিদসকলৰ যুক্তিনিষ্ঠ বিশ্লেষণত এইটো পৰিস্ফুট হৈছে যে যৌথ পৰিয়াল এটাৰ সুফল যিমান, তাতকৈ কুফলৰ পৰিমাণহে অধিক। এনে পৰিয়াল এটাত যিকোনো এগৰাকী সদস্যৰ চৰমতম ত্যাগৰ বিপৰীতে আনবোৰ সদস্যই এক সুবিধাবাদীৰ ভূমিকা পালন কৰে। সবল-সুস্থ ব্যক্তি এগৰাকীয়েও কৰ্ম-বিমুখ, এলেহুৱা জীৱন এটা কটাই পৰিয়াল তথা দেশৰ প্ৰগতিতে অন্তৰায়ৰ সৃষ্টি কৰে। ইয়াৰ বিপৰীতে যিগৰাকী ব্যক্তিয়ে এনে এটা যৌথ পৰিয়ালৰ গুৰু দায়িত্ব কান্ধ পাতি লয়, তেওঁ দাঙিৰ পৰাতকৈ অধিক বোজা বহন কৰিবলগীয়া হয়। যৌথ পৰিয়াল ব্যৱস্থাত চলি থকা কৰ্মৰ এই বৃহৎ অসামঞ্জস্য কিদৰে বাৰু সমৰ্থনযোগ্য? এয়া মাতো এটা উদাহৰণহে।

যৌথ পৰিয়াল ব্যৱস্থাৰ ভাল আৰু বেয়া দিশবোৰ তুলাচনী এখনত উঠাই দিলে বেয়া দিশৰ গধুৰতাহে চকুত পৰা ধৰণৰ হ'ব। গতিকে কেৱল ভাৰতীয় ঐতিহ্য বা পৰম্পৰাৰ দোহাই দি এনে এটা ত্ৰুটিপূৰ্ণ সামাজিক ব্যৱস্থা জীয়াই ৰখাটো কোনোপধ্যেই যুক্তিসঙ্গত হ'ব নোৱাৰে। কিন্তু ইয়াৰ বিপৰীতে সৰু প্ৰাথমিক পৰিয়াল এটালৈ লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ প্ৰত্যেকজন সদস্যই তুলনামূলকভাৱে সুস্থ আৰু স্বাভাৱিক জীৱন এটা কটায়। এনে পৰিয়াল এটাত সদস্যৰ সংখ্যা কম হোৱা হেতুকে সকলো কাম সুচাৰুৰূপে পৰিচালনা কৰাটো সম্ভৱ, যিটো যৌথ পৰিয়ালত সম্ভৱ নহয়। গতিকে আজিৰ মানুহে স্বাভাৱিকতে এনে এটা সৰু পৰিয়ালৰ প্ৰতিয়েই আকৰ্ষিত হৈছে।

যৌথ পৰিয়াল ব্যৱস্থাৰ এনে ভঙ্গন স্বাভাৱিক প্ৰক্ৰিয়া হিচাপেই চিহ্নিত হৈছে আৰু ইয়াক লৈ আমাৰ দুশ্চিন্তাৰো প্ৰয়োজন নাই। কোনো এটা ব্যৱস্থা কোনো এক সময়ত উপযুক্ত আছিল যদিও ই সকলো সময়তে ফলপ্ৰসূ হৈ থাকিব তেনে কথা নহয়। চিন্তাৰ উদ্ৰেক কৰিছে অত্যধিক যান্ত্ৰিক ব্যস্ততাই পিষ্ট কৰি পেলোৱা মানৱীয়তাৰ অৱক্ষয়ে। আজীৱন একেলগে থকাৰ প্ৰতিজ্ঞা কৰি নিজৰ ভাই-ককাই, খুৰা-মামাৰ লগত সদায় দন-খৰিয়াল কৰি থকা কথাটো যিদৰে সমৰ্থনযোগ্য নহয়, ঠিক সেইদৰে বিয়া-বাৰু কৰি নিজৰ সৰু পৰিয়ালটোক লৈ ব্যস্ত হৈ সেইখনকে পৃথিৱী বুলি ভাবি নিজৰ নিকট সম্পৰ্কীয়খিনিৰ প্ৰতিও পিঠি দিয়াটো কোনোপধ্যে মানি ল'ব নোৱাৰি। আজিৰ সমাজে যৌথ পৰিয়ালৰ নেতিবাচক দিশবোৰৰ প্ৰতি আঙুলি দেখুৱাই সৰু প্ৰাথমিক পৰিয়াল এটাক সমৰ্থন জনোৱাৰ নামত সামান্যতম মানৱীয় আচৰণখিনিৰ কথাও পাহৰি গৈছে। পিতৃ-মাতৃ বা ভাতৃ-ভগ্নীয়ে সকলো সময়তে সহায়ৰ বাবেই হাত মেলি নাথাকে, বিচাৰে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক এটাও আৰু সেয়া আঁতৰি থকাৰ পিছতো সম্ভৱ। কিন্তু বস্তুতঃ দেখা গৈছে যে পৃথককৈ থকাৰ পিছৰে পৰা মানুহবোৰৰ নিজৰ জন্ম পৰিয়ালটোৰ সৈতেও আত্মিক সম্পৰ্ক হেৰাই যায়। পিতৃ-মাতৃও তেওঁলোকৰ বাবে হৈ পৰে বোজা। হয়তো কোনোবা পিতৃ-মাতৃয়ে বৃদ্ধাৱস্থাত সন্তানৰ পৰা আশা কৰে আৰ্থিক সহায়। কিন্তু সেয়াটো কোনো অযুক্তিকৰ কথা নহয়। যি সন্তানৰ জীৱন গঢ়াৰ নামত পিতৃ-মাতৃয়ে শেষ সম্বলকণো শেষ কৰি পেলাইছে, তাৰ বিনিময়ত জীৱনৰ অচল অৱস্থাত যদি অকণমান সহানুভূতি বিচাৰে, সেয়া কেতিয়াও দোষণীয় হ'ব নোৱাৰে। পিতৃ-মাতৃয়ে যদিও তেনে এটা আশা পোষণ কৰি সন্তানক ডাঙৰ নকৰে তথাপি প্ৰত্যেকটি সন্তানৰ সেইখিনি কৰাটো নৈতিক দায়িত্ব। সেয়া কাৰোবাক সোঁৱৰাই দিবলগীয়া হোৱাটোও লজ্জাজনক কথা।

ঠিক একেদৰে সদায় মিলি-জুলি থকাৰ নাম লৈ পৰিয়ালৰ উপাৰ্জনক্ষম সদস্যজনক 'খীৰতী গাই'ৰ দৰে ব্যৱহাৰ কৰাৰ মানসিকতাও পৰিয়ালৰ আন সদস্যসকলে ত্যাগ কৰা উচিত।

জীৱনৰ এটা নিৰ্দিষ্ট সময়লৈকে সকলোৱে কাৰোবাৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ বাধ্য হয়। কিন্তু উপযুক্ত সময়ত নিজকে সকলোৱে প্ৰতিষ্ঠা কৰি ল'বলৈ যত্নপৰ হোৱা উচিত। কামৰ কোনো সৰু-বৰ নাই। সেয়েহে প্ৰত্যেকে নিজৰ সাধ্যানুযায়ী পৰিয়ালৰ সামগ্ৰিক উন্নতিৰ বাবে চেষ্টা চলোৱাৰ প্ৰয়োজন। কথাখিনিৰ তাত্বিক দিশটো সকলোৰে বোধগম্য যদিও ব্যৱহাৰিক জীৱনত ইয়াৰ অনুকৰণ কমেই হোৱা দেখা যায়। যাৰ ফলত আমাৰ এই বৃহৎ পৰিয়ালতান্ত্ৰিক ব্যৱস্থাটোত ঘুণে ধৰিছে বা বৰ্তি থাকিলেও কোনোবাই মাথোঁ অকলেই ইয়াৰ দুঃসহ বোজা গাধৰ দৰে কঢ়িয়াব লগাত পৰিছে। এই কাৰ্য মানৱতাৰ পৰিপন্থী বা একপক্ষে নিৰ্যাতন।

ভাৰতীয় সংস্কৃতিৰ দোহাই দি যৌথ পৰিয়াল ব্যৱস্থাৰ পোষকতা কৰা প্ৰৱক্তাসকলে এই সৰু সৰু অথচ গুৰুত্বপূৰ্ণ দিশসমূহ আওকাণ কৰা যেনেই লাগে। যৌথ পৰিয়ালৰ প্ৰয়োজনীয়তাক লৈ মুকলি বিতৰ্ক হোৱা উচিত।